শিয়াখালাৰ পৰা কেইদিনমানৰ কাৰণে দুয়ো কলিকতালৈ আহিল। ৰিপন ষ্ট্ৰিটৰ ভাতৃৰ ঘৰতে উঠিলহি। নৱ বধুক পাই সকলো সুখী। বৰ আনন্দৰে দিনকেইটা অতিবাহিত হ'ল। যাবৰ সময়তহে ৰাণুক অকলে পঠাবলগীয়া হোৱাত হেমাংগ বৰ চিন্তিত হৈ পৰিল। পাছদিনাই দুখ কৰি ৰাণুলৈ এখন চিঠি লিখিলে—

ৰাণু,

গতকাল তোমাকে রেলগাড়িতে তুলে দেওয়া অবধি শান্তি নেই মনে। যে অৱস্থায় গাড়ি ধরতে হয়েছিল তাতে মনটা আৰু খারাপ। পাঁউরুটি, কমলা ইত্যাদি কিছুই কিনে দিতে পারিনি। রাত্রে হয়তো তোমার খাওয়া হয়নি। তার উপর এখন তো মীরা ওরা নেই। তোমার যা স্বভাৱ, হয়তো একগ্লাস জল খেয়েই শুয়ে পড়েছ। গতকাল ঘুমের মধ্যে জেগে উঠেছি। এমনিভাৱে তোমার অভাৱ অনুভৱ করিনি। আজ সকালবেলা থেকে সমস্ত ঘরটা অগোছালো হড়ে পড়ে আছে। সকালবেলা শেভ করার পর রেজরটা ধুতে ধুতে ভাবছিলাম—তোমাকে ছাড়া একটি দিনও আমার চলবে না। অথচ জীৱনের শ্রেষ্ঠ দিনগুলি তো কাটিয়ে দিলাম—একা। আশ্চর্য! সেদিন বিকেলে শৈলেশ, তুমি ও আমি Browning আলাপ করছিলাম—মনে আছে?

'Grow old along with me!

The best is yet to be...' এতোদিন যেন তার তাৎপর্য বুঝতে পারলাম।

আজ National Book Agency-তে গিয়ে Final আলোচনা করে এলাম। হয়ত February মাসের মধ্যেই আমার বইটি ছাপা হয়ে বের হবে। তোমার ওখানে বসে বাংলা অনুবাদ ও অন্যান্য কয়েকটা লেখা শেষ করতে হবে —তোমার সাহায্য নিয়ে। এবার কিন্তু অনেক সময় তোমার বাঁচাতে হবে-আমার জন্য। এখানকার কাজ শেষ করে—আগামী ৩১ তারিখ বিকেলে বা সন্ধ্যায় তোমার ওখানে পৌছাঁব।

রাত্রে মীরার ছেড়ে যাওয়া ঘরে একটি মেয়ের ঘুমাবার ব্যৱস্থা করো। তোমার পেটের অসুখের পর থেকে আমার কি চিন্তা তুমি তো জান। আমার জন্য তোমাকে ভাল থাকতে হবে। আমি যে স্বার্থপর। পত্রপাঠ জানাও কেমন আছ—কি কি ব্যৱস্থা করেছ।

চাটগাঁ থেকে তোমার বাবার চিঠি পেয়েছি। তিনি কি লিখেছেন জানো?—তোমাকে আমার উপযুক্ত করে নিবার জন্য। কাজেই সাবধান-এখন থেকে গালিগালাজ ও শাসনের মাত্রা বেড়ে যাবে। বাবা যদি জানতেন, আমার সমস্যাটা ঠিক উল্টো। আমাকে তোমার উপযুক্ত করে নেবার জন্য কী প্রচণ্ড শাসন আমাকে তুমি করছ।

তোমার ফটোগুলি develop করে দেখলাম, অধিকাংশই ভাল হয়েছে। আসার সময় print নিয়ে আসব।

আমি ভাল আছি। ভালবাসা।

ইতি—

তোমার...

মাজত মাত্ৰ তিনিটা দিন। তথাপি চিঠিখন ডাকত দিহে হেমাংগই শান্তি পালে। ভালপোৱা হয়তো এনেকুৱাই। যুক্তিহীনতাতো যুক্তি বিচাৰি পায়। দৰাচলতে এই এমাহতে হেমাংগ পত্নী ৰাণুৰ ওপৰত অধিক নিৰ্ভৰশীল হৈ পৰিছে। বোধহয় ৰাণুৰ মাজতে বিচাৰি পাইছে নিৰাপত্তা, মানসিক আশ্ৰয়। অঘৰী জীৱনৰ এটা স্থায়ী ঠিকনা।

শিয়াখালাত কিছুদিন থাকি হেমাংগ গুৱাহাটীলৈ আহিল। তেতিয়া অসমৰ বতৰ গোমা। ধুমুহা-বৰষুণৰ আগজাননী। হয়তো সোনকালেই বৰদৈচিলা আহিব। লাহে লাহে বৰাক উপত্যকাৰো বতাহ গৰম হোৱাৰ পূৰ্বাভাস।

অসমত বহাগ বিহুক আদৰাৰ প্ৰস্তুতি। ঢোলৰ মাতত চৌদিশ ৰজনজনাই আছে। বিহুৰ বতৰত হেমাংগ ইয়াত নথকাৰ কথাই নাই। তাহানি জৰ্জ ইনষ্টিটিউটত পঢ়ি থাকোঁতেই বিহুৰ লগত যি পৰিচয় হৈছিল সেই বিহুৱেই এতিয়া হেমাংগৰ সিৰাই সিৰাই প্ৰবাহিত। বিহুৰ বতৰত হেমাংগৰ গাবৰ মন যায়—"ঘৰতো নবহে মন সমনীয়া/পথাৰতো নবহে মন/কমোৱা তুলাবোৰ যেনেকৈ উৰিছে/তেনেকৈ উৰিবৰ মন।" হেমাংগ নহ'লে যেন বিহুতলী উকা! শ্বিলঙৰ বিহু সন্মিলন উদ্বোধন কৰিবলৈকো হেমাংগক সমিতিয়ে আমন্ত্ৰণ জনাইছে। অসমৰ সমাজ জীৱনত বিহুৰ ভূমিকাৰ বিষয়ে হেমাংগই যথেষ্ট চিন্তা-চৰ্চা কৰিছে। পাশ্চাত্য শিক্ষাৰে শিক্ষিত সম্প্ৰদায়টোৱে বিহুক অশ্লীল আখ্যা দি বৰ্জন কৰিব খুজিছিল। কিন্তু ত্ৰিছৰ দশকৰ জাতীয় জাগৰণৰ লগে লগে বিহুৱেও ইয়াৰ হৃত মৰ্যাদা ঘূৰাই পাবলৈ ধৰিলে। এচাম শিক্ষিত ভদ্ৰ সম্প্ৰদায়ৰ উন্নাসিকতাক উপেক্ষা কৰি অসমীয়া ঐতিহ্যৰ এই বিহু কাব্য আৰু গীত অশিক্ষিত সাধাৰণ চহা লোকৰ পৰ্ণকুটিৰত বাচি থাকিল।

শ্বিলঙলৈ আহি থাকোঁতে ছিলেটি ভাষাত গোৱা গীত এফাকি হঠাতে মনলৈ অহাত হেমাংগৰ হাঁহি উঠিল। তেতিয়া গাইছিল—"শুনহে ভাই আসাম দেশের কথা/কিবা দেশে আইলামরে ভাই/কিবা দেশের গুণ/একেই গাছে পাণ-তাম্বোল/একই গাছে চুণ...।"

সেয়া তাহানিৰ কথা। এতিয়া মঘাইৰ সুৰতহে হেমাংগৰ গাবলৈ মন যায়—"ৰাইজখনে কান্দিছে ডা-ডাঙৰীয়া/দেশখনে কান্দিছে চোৱা/ৰাইজৰ বলতে তুমি বলৱন্ত/কিয়নো পাহৰি যোৱা।" অথবা "মাজুলী দেশতে খোৱাৰ অভাৱতে/পেলায় পৰিয়ালক কাটি/শ্বিলং ৰোডতে দেখিবা ৰাইজসকল/মিনিষ্টাৰসকলৰ মাটি।"

এৰা, স্বাধীনতাৰ এটা দশকৰ ভিতৰতে বহুত সলনি হ'ল। লাখ লাখ লোকৰ ত্যাগৰ কথা; গান্ধীজীৰ কথা যেন শাসকসকলে পাহৰিবলৈ লৈছে। আনহে নালাগে সাম্যবাদীসকলেও নিজৰ চৰিত্ৰ হেৰুৱাবলৈ আৰম্ভ কৰিছে। গণনাট্যৰ নেতৃত্ব লোৱাসকলৰ কাৰ্যকলাপ দেখিও হেমাংগ স্তম্ভিত হৈ পৰিছে। দিল্লী অধিৱেশনৰ পাছত সকলো স্তিমিত হ'বলৈ ধৰিছে।

শ্বিলঙৰ সন্ধিয়া। নানা ৰঙৰ বিজুলী চাকিয়ে সপোনপুৰী হেন কৰি ৰাখিছে। বিহুৰ থলীতো উজ্জ্বল পোহৰ। হাজাৰ হাজাৰ লোকেৰে সন্মিলনৰ চৌহদ ভৰি পৰিছে। অসমৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই কেন্দ্ৰীয় খাদ্য মন্ত্ৰী মেননৰ লগতে সাতগৰাকী মন্ত্ৰী আৰু বিষয়া গোপাল দাসক লৈ আহিছে। এটা সময়ত হেমাংগ উদ্বোধণী ভাষণ দিবলৈ মঞ্চলৈ উঠিল। দৰ্শকে বিপুল হাত চাপৰিৰে হেমাংগক আদৰণি জনালে। ৰাইজক সম্বৰ্ধনা জনাই হেমাংগই কৈ গ'ল—"বিহু অসমৰ জাতীয় উৎসৱ। এনে জাতীয় উৎসৱ সকলো ধৰ্মৰ জনসাধাৰণৰ লোক-সাংস্কৃতিক উৎসৱ, পৃথিৱীৰ কোনো দেশতে নাই। ঘাইকৈ এই উৎসৱ—কৃষক শ্ৰেণীৰ উৎসৱ—ডেকা-গাভৰুৰ মন আৰু প্ৰাণৰ উৎসৱ। বিহুক অশ্লীল বুলি বন্ধ কৰাৰ সাহস এতিয়া আৰু দেশৰ অভিজাত ডা-ডাঙৰীয়াসকলৰ নাই ...।"

মুখ্যমন্ত্ৰী চলিহা হেমাংগৰ গীতৰ কাৰণে অস্থিৰ হৈ পৰিল। চলিহাই মেননক ক'লে—"ৰাজনৈতিক বন্দী হৈ নগাঁৱৰ কাৰাগাৰত থাকোঁতেই হেমাংগৰ গান শুনি খুব ভাল পাইছিলোঁ। হেমাংগয়ো মোৰ পৰাই বনগীত আৰু জ্যোতিপ্ৰসাদৰ দেশাত্মবোধক গীত শিকিছিল।"

ভাষণ শেষ কৰি হেমাংগই গীত গাবলৈ আৰম্ভ কৰিলে। দুটামান গীত গাওঁতেই আৰম্ভ হ'ল ধুমুহা বৰষুণ। সেই ধুমুহা দুৰ্যোগৰ মাজতো বিহুতলীত সংগীবৃন্দৰে সৈতে হেমাংগই গীত গাই থাকিল।

বিহুৰ উচ্ছ্বাস তল পেলাবলৈ অসমলৈ আন এজাক ধুমুহা আহিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। আৰম্ভ হ'ল উত্তেজনা। তাৰ পাছত অশান্তিৰ জুই উমি উমি জ্বলি উঠিল। প্ৰতিবাদ, হিংসা, দমন-নিপীড়ন চলিল। লাহে লাহে পৰিস্থিতিৰ অধিক অৱনতি ঘটিল যেতিয়া হোষ্টেলৰ বাৰাণ্ডাত চাৰি জুলাই তাৰিখে কটনৰ ছাত্ৰ ৰঞ্জিত